জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৫/২০২২

ঐতিহাসিক শ্ৰীশ্ৰী মইনবড়ি সত্ৰত সেৱা আগবঢ়ালে মুখ্যমন্ত্ৰী ড° শৰ্মাই

# পূৰ্বৰ স্থানত মইনবড়ি সত্ৰখন পুনৰ গঢ়ি তুলিবলৈ ৰাজ্য চৰকাৰে পদক্ষেপ ল'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৩ জানুৱাৰী ঃ** অসমৰ কৃষিজীৱী ৰাইজৰ কৰ্ম প্ৰেৰণাৰ উৎস মাঘবিহুৰ উৰুকাৰ পৱিত্ৰ দিনটোত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বৰপেটা জিলাৰ সৰভোগস্থিত ঐতিহাসিক শ্ৰীশ্ৰী মইনবড়ি সত্ৰত উপস্থিত হৈ ৰাজ্য তথা দেশবাসীৰ সুখ, সমৃদ্ধি আৰু কুশল মংগলৰ বাবে গুৰু আসনত সেৱা আগবঢ়াই ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়।

এই উপলক্ষে সত্ৰখনত আয়োজিত এক অনুষ্ঠুপীয়া কাৰ্যসূচীত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ঐতিহাসিক শ্ৰীশ্ৰী মইনবড়ি সত্ৰৰ এক সুন্দৰ ইতিহাস আছে। তেওঁ কয় যে নাৰায়ণ দাস ঠাকুৰ আতাই প্ৰতিষ্ঠা কৰা সময়ৰে পৰা এই সত্ৰখনৰ যি প্ৰত্যাহ্বানৰ যাত্ৰা, সেই সম্পৰ্কে ৰাজ্যত বিশদভাৱে আলোচনা হৈছে। সত্ৰখনৰ তৰফৰ পৰা আন্তগাঁথনি সৰলীকৰণৰ বাবে এখন আৱেদন লাভ কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই আৱেদনৰ ভিত্তিত সত্ৰখনৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে প্ৰয়োজনীয় পুঁজি যোগান ধৰাৰ লগতে যাৱতীয় সকলো পদক্ষেপ গ্ৰহণ কৰিব। তদুপৰি পূৰ্বে যি স্থানত এই সত্ৰখন প্ৰতিষ্ঠা কৰা হৈছিল, সেই ঠাইত সত্ৰখন পুনৰ গঢ়ি তুলিবলৈ ৰাজ্য চৰকাৰে পদক্ষেপ ল'ব।

মুখ্যমন্ত্ৰী ড° শৰ্মাই এই পৰিদৰ্শনৰ সময়ত সত্ৰখনৰ চৌহদত এটি গছ পুলি ৰোপন কৰাৰ লগতে উপস্থিত ভক্তপ্ৰাণ ৰাইজৰ লগত মত বিনিময় কৰি সকলোকে মাঘ বিহুৰ শুভেচ্ছা জনায়। মুখ্যমন্ত্ৰী ড° শৰ্মাই সত্ৰখনত সেৱা আগবঢ়োৱা সময়ত নলবাৰী সমষ্টিৰ বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱা, ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰ, সত্ৰাধিকাৰ গণেশ চন্দ্ৰ অধিকাৰী, ডেকা সত্ৰাধিকাৰ ধৰ্মেশ্বৰ অধিকাৰীৰ লগতে বহুসংখ্যক ভকত-বৈষ্ণৱ উপস্থিত থাকে।

**বীঃ গঃ**
**১৩-১-২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in
**E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in